RNI Regn. No- ASSASS/2011/38477

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ▢ যোৰহাট সংস্কৰণ ▢ মুঠ পৃষ্ঠা ১২

—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ২৮৮ মঙলবাৰ ১৬ ভাদ ১৯৪৭ শক ২ ছেপ্টেম্বৰ ২০২৫ চন ASOMIYA KHABAR JORHAT TUESDAY 2 SEPTEMBER 2025 দাম

ক প্ৰমোদ
ইকে ভাল
পিপিএলৰ
ায়িং কিছ
ালোকে যি
।
মা মহিলাৰী

ৰঙিয়াত গু
ৰহস্যৰ অ
অভিযুক্তসহ

আমাৰ খবৰ, ৰঙিয়া, ১ ছেপ্টেম্বৰ ঃ
জামতোলা চ'কত যোৱা ২৭ আগষ্ট
গুলীচালনাৰ ঘটনাৰ তদন্তৰ অৱশে
সংঘটিত হোৱাৰ মাত্ৰ চাৰিদিনৰ ভিতৰ

## ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ ব্যতিক্ৰমী প্ৰয়াস

# 'ছাইবাৰ নিৰাপত্তাৰ দক্ষতা বৃদ্ধি' শীৰ্ষক কৰ্মশালা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত দ্যা এছিয়া ফাউণ্ডেশ্যনৰ উদ্যোগত, অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগ, কানৈ মহাবিদ্যালয়ৰ আই চি জি পি চি, কম্পিউটাৰ বিজ্ঞান বিভাগৰ সহযোগত 'ছাইবাৰ নিৰাপত্তাৰ দক্ষতা বৃদ্ধি' শীৰ্ষক কৰ্মশালা ২৮ আগষ্টত অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত পুৱা ১১ বজাৰপৰা অনুষ্ঠিত হোৱা কৰ্মশালাখনত জনসাধাৰণক কেনেকৈ ছাইবাৰ অপৰাধৰপৰা সুৰক্ষিত আৰু সাৱধান কৰিব পাৰি তাৰ ওপৰত বিশেষভাৱে আলোচনা কৰা হয়। অনাগত দুবছৰৰ ভিতৰত ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত এই সংস্থাসমূহে ছাইবাৰ নিৰাপত্তাৰ সম্পৰ্কত বিভিন্ন ধৰণৰ সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰাৰ কাম হাতত লৈছে তাৰে ভিতৰত বহুকেইখন ৰাজ্যত এই কাৰ্যসূচীৰ ইতিমধ্যে সফল সমাপ্তিও হৈছে। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকি ছাইবাৰ ক্ৰাইম আউটপোষ্টৰ পৰিদৰ্শক ৰাজশ্ৰী বৰগোহাঁয়ে কয়, ছাইবাৰ ক্ৰাইমত বাণিজ্য কেন্দ্ৰিক অপৰাধ বহুতো হোৱা পৰিলক্ষিত হয়। বিভিন্ন ধৰণৰ ক্ষুদ্ৰৰপৰা মজলীয়া উদ্যোগলৈকে এই ছাইবাৰ ক্ৰাইম সংঘটিত হ'ব পাৰে। এই সমূহ প্ৰতিৰোধ কৰিবৰ বাবেই ছাইবাৰ নিৰাপত্তাই বিভিন্ন সময়ত বিভিন্ন ধৰণৰ সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰি আহিছে। জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, ডিব্ৰুগড়ৰ পল্লৱী বৰুৱাই আঁতধৰা কৰ্মশালাখনত তেওঁ কয়, প্ৰায় নব্বৈ শতাংশ ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ ছাইবাৰ নিৰাপত্তাৰ বিষয়ে সম্যক জ্ঞান নথকাৰ বাবে বহু সময়ত তেওঁলোক বহু বিপদৰ সন্মুখীন হয়। লগতে বিভিন্ন সময়ত কেনেকৈ বহুলোক ঠগ-প্ৰৱঞ্চনাৰ সন্মুখীন হয় এই বিষয়েও কৰ্মশালাখনত বিশদ আলোচনা কৰা হয়। কৰ্মশালাখনত উপস্থিত থাকি ফজলুল কবিৰ বৰাই বিভিন্ন তথ্যচিত্ৰৰ সহায়ত ছাইবাৰ নিৰাপত্তাৰ বিভিন্ন দিশসমূহ উদাহৰণসহ উপস্থিত থকাসকলৰ সমুখত অৱগত কৰে। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়, পৃথিৱীত মূল উৎসই হ'ল তথ্য, তথ্যই হ'ল শক্তি আৰু তথ্যই হ'ল সম্পদ। সমগ্ৰ পৃথিৱীখন তথ্যৰ ওপৰত ভিত্তি কৰিয়েই চলি আছে। সকলোৱেই ইণ্টাৰনেট ব্যৱহাৰ কৰে। কিন্তু, অধিকাংশ মানুহেই নাজানে যে ইণ্টাৰনেটত প্ৰতিদিনে কিমান তথ্যৰ আদান-প্ৰদান কৰা হয়। তেওঁ কয়, ইণ্টাৰনেটত প্ৰতি ছেকেণ্ডত প্ৰায় চাৰি লাখ গিগাবাইট তথ্য আদান প্ৰদান কৰা হয়। ই-মেইলত প্ৰতি ছেকেণ্ডত প্ৰায় ত্ৰিশ লাখৰো অধিক তথ্য আদান-প্ৰদান কৰা হয়। প্ৰতি ছেকেণ্ডত ৱাটছএপ'ৰ যোগে ৬৯ লাখ বাৰ্তা আদান-প্ৰদান কৰা হয়। ইউটিউবত প্ৰতি মিনিটত পাঁচশ ঘণ্টাৰ অধিক ভিডিঅ' আপলোড হয়। তেওঁ কয়, প্ৰতি ছেকেণ্ডত মানৱ জাতিয়ে যি তথ্য সৃষ্টি কৰে তাৰ পৰিমাণ এক লাখৰ অধিক ডিভিডিৰ সমান। নিজৰ তথ্য নিজে নিৰাপত্তা নিদিলে কেৱল ব্যক্তিৰ ক্ষতিয়েই নহয়, সমাজ, ৰাষ্ট্ৰ আৰু বিশ্বৰ ক্ষতি হয় বুলি তেওঁ কয়। অনুষ্ঠানত চিইউটিএছ ইণ্টাৰনেশ্যনেলৰ প্ৰ'গ্ৰাম এছ'চিয়েট শুভম ঘোষ আৰু প্ৰত্যুশ বেনাৰ্জীয়ে কৰ্মশালাখনত উপস্থিত থাকি ছাইবাৰ নিৰাপত্তাৰ ওপৰত এক মননশীল বক্তব্য প্ৰদান কৰে। কৰ্মশালাখনত জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সহকাৰী পৰিচালক মানস প্ৰতীম ছেত্ৰী, মিতাশ্ৰী বৰা উপস্থিত থাকি ছাইবাৰ নিৰাপত্তাৰ বিষয়ে সকলোকে অৱগত কৰে। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ আইচিজিপিচিৰ সমন্বয়ক ড° এনিশা দত্ত, কম্পিউটাৰ বিজ্ঞান বিভাগৰ মুৰব্বী হৰজিন্দৰ সিঙকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে বুলি উদ্যোক্তাসকলে উল্লেখ কৰিছে।